ISSN:3049-0812
MAJULI: A Multi-Lingual Multi-Disciplinary e-Magazine
Web.: www.majuliemagazine.com, e-Mail: majuliejournal@umkcollege.in
Published by: Digital Learning Cell, UMK College, Majuli-785105, Assam, India

# শিল্পকলাৰ সমাজতত্ত্ব

**Dr. Sujit Bharali**

Designation : Assistant Professor, Department of Assamese, Moran College, Charaideo, Assam, India, e-Mail ID: bharalisujit8306@gmail.com

Majuli A Multilingual Multidisciplinary e-Magazine

**Abstract:**

*The sociology of art is a subfield of sociology that examines the intersection of society and the production, distribution, and consumption of art. It investigates how art and culture reflect, influence, and shape social structures, identities, and relationships. This field explores the roles that artists, art institutions, markets, and audiences play in the creation and reception of artistic works, while also considering the social and political contexts in which art is produced. Key themes include the commercialization of art, the social function of art in different societies, the impact of class, gender, and ethnicity on artistic expression, and the role of institutions like museums, galleries, and media in shaping cultural consumption. By focusing on the social dynamics surrounding art, the sociology of art provides insights into how art contributes to societal change, reinforces or challenges power structures, and reflects broader cultural values and norms. The main aims and objectives of the study of the sociology of art are: 1. Through the study of sociology of art, care will be taken to analyze the various social activities of art, 2. Efforts will be made to examine the social meaning of art through the study of the sociology of art, 3. Through the study of the sociology of art, care will be taken to investigate the relationship between art and various social inequalities. The main method of studying the sociology of art is analytical. The review method will also be taken as a method in the context of judging the relationship between art and society.*

**Key Words**: Art, sociology, sociology of art, artistic society, social art.

## ০.০ অৱতৰণিকা

### ০.১ আৰম্ভণি

শিল্পকলাৰ সমাজতত্ত্ব এনে এক আকৰ্ষণীয় আৰু গতিশীল ক্ষেত্ৰ যি সদায় কলা আৰু সমাজৰ মাজত থকা জটিল সম্পৰ্কৰ বিষয়ে অন্বেষণ কৰে। লগতে ই বিভিন্ন সামাজিক প্ৰেক্ষাপটে কেনেদৰে কলাক প্ৰভাৱিত কৰে

তাৰো অনুসন্ধান কৰে। শিল্পকলাৰ সমাজতত্ত্বই কলাক এক বিচ্ছিন্ন পৰিঘটনা হিচাপে নলৈ সামাজিক আদান-প্ৰদান আৰু সাংস্কৃতিক মূল্যবোধৰ উৎপাদন হিচাপে চাবলৈ চেষ্টা কৰে। কলাই সামাজিক নিয়ম, ক্ষমতাৰ গাঁথনি আৰু মতাদৰ্শক কেনেদৰে প্ৰতিফলিত কৰে, শক্তিশালী কৰি তোলে বা প্ৰত্যাহ্বান জনায় সেই বিষয়েও জানিব বিচাৰে। শিল্পকলাৰ সমাজতত্ত্ব বুলি ক'লে সততে উদয় হোৱা প্ৰশ্নসমূহ হ'ল - শ্ৰেণী, লিংগ, জাতি আৰু নৃগোষ্ঠীৰ দৰে সামাজিক কাৰকবোৰে কেনেদৰে যিকোনো কলাত্মক উৎপাদন আৰু ইয়াৰ ব্যৱহাৰক আকাৰ দিয়ে?, কলা জগতত বিভিন্ন কলা প্ৰতিষ্ঠান [সংগ্ৰহালয়, কলা বীথিকা, কলা বিদ্যালয়] সমূহৰ ভূমিকা কি?, কলা বজাৰে [art market] কেনেদৰে কাম কৰে আৰু ই কলাৰ মূল্য নিৰ্দ্ধাৰণ প্ৰক্ৰিয়াক কেনেদৰে প্ৰভাৱিত কৰে?, সাধাৰণ দৰ্শকসকলে বিভিন্ন সামাজিক প্ৰেক্ষাপটত কলাৰ ব্যাখ্যা আৰু সঁহাৰি কেনেদৰে দিয়ে?, সামাজিক পৰিৱৰ্তন আৰু সাংস্কৃতিক পৰিচয়ত কলাই কেনেদৰে অৰিহণা যোগায়?, বিশ্বায়ন আৰু ডিজিটেল যুগে কলাৰ উৎপাদন আৰু ইয়াৰ ব্যৱহাৰক কেনেদৰে প্ৰভাৱিত কৰিছে?

**০.২ অধ্যয়নৰ লক্ষ্য আৰু উদ্দেশ্য**

শিল্পকলাৰ সমাজতত্ত্ব অধ্যয়নৰ প্ৰধান লক্ষ্য আৰু উদ্দেশ্যসমূহ হ'ল -

১. শিল্পকলাৰ সমাজতত্ত্ব অধ্যয়নৰ জৰিয়তে শিল্পকলাৰ বিভিন্ন সামাজিক কাৰ্যকলাপসমূহ বিশ্লেষণ কৰিবলৈ যত্ন কৰা হ'ব।

২. শিল্পকলাৰ সমাজতত্ত্ব অধ্যয়নৰ জৰিয়তে শিল্পকলাৰ সামাজিক অৰ্থ পৰীক্ষা কৰিবলৈ প্ৰয়াস কৰা হ'ব।

৩. শিল্পকলাৰ সমাজতত্ত্ব অধ্যয়নৰ জৰিয়তে কলা আৰু বিভিন্ন সামাজিক বৈষম্যৰ মাজৰ সম্পৰ্ক অনুসন্ধান কৰিবলৈ যত্ন কৰা হ'ব।

০.৩ অধ্যয়নৰ পদ্ধতি

শিল্পকলাৰ সমাজতত্ত্ব অধ্যয়নৰ মুখ্য পদ্ধতি বিশ্লেষণাত্মক। শিল্পকলা আৰু সমাজৰ সম্পৰ্ক বিচাৰৰ প্ৰসংগত সমীক্ষাত্মক পদ্ধতিকো অৱলম্বন হিচাপে লোৱা হ'ব।

**১.০ বৰ্তমানৰ অৱধাৰণাত শিল্পকলাৰ সমাজতত্ত্ব**

শিল্পকলাৰ সমাজতত্ত্ব বুলি কোৱা বৰ্তমানৰ এই অৱধাৰণাটোৰ উদ্ভৱ উনবিংশ আৰু বিংশ শতিকাৰ শেষৰ ফালে এক জটিল প্ৰক্ৰিয়াৰ মাজেৰে হৈছিল। উনবিংশ শতিকাৰ শেষৰ ফালৰ প্ৰাৰম্ভিক চিন্তাবিদসকলে মূলতঃ কলাৰ সামাজিক প্ৰেক্ষাপট বিবেচনা কৰিবলৈহে আৰম্ভ কৰিছিল। উদাহৰণস্বৰূপে জিন-মেৰী গায়াউ [Jean-

Majuli A MultiLingual MultiDisciplinary e-Magazine

Marie Guyau]ৰ “Art from a Sociological Perspective”ৰ নামৰ ৰচনাখনে ভৌতিক পৰিস্থিতিৰ আধাৰত কেৱল সমাজতাত্ত্বিক দৃষ্টিকোণৰ পৰা কলাক ব্যাখ্যা কৰিবলৈ চেষ্টা কৰিছিল। এমিল ডুৰ্খাইম [Emile Durkheim], যি কলাৰ বিষয়ে পোনপটীয়াকৈ অলপ লিখিছিল, তেওঁৰ লেখাই প্ৰথমতে সামাজিক পৰিঘটনাসমূহৰ কাৰণ-কাৰক বুজাৰ বাবেহে এক পৰিকাঠামো তৈয়াৰ কৰিছিল, যি পিছলৈ শিল্পকলাৰ সমাজতত্ত্বক প্ৰভাৱিত কৰিছিল (Riley, n.d.)।'নান্দনিক সমাজতত্ত্ব' [aesthetic sociology]ৰ দৰে সমাজতত্ত্বৰ এটি শাখাৰ বিকাশেও এই নতুন ক্ষেত্ৰখন তৈয়াৰ কৰাত সহায় কৰিছিল। কিন্তু বিংশ শতিকাৰ আৰম্ভণিৰফালে সমাজবিজ্ঞান, নান্দনিকতা, কলা ইতিহাস আৰু কলাদৰ্শনৰ মাজৰ পাৰ্থক্য ৰেখাবোৰ প্ৰায়ে অস্পষ্ট হৈ পৰিছিল। তেনে সময়তে জাৰ্মানীৰ ফ্ৰেংকফুৰ্টৰ সমালোচনা তাত্ত্বিক থিওডৰ ডব্লিউ এডৰ্নো [Theodor W. Adorno] আৰু ৱাল্টাৰ বেঞ্জামিন [Walter Benjamin]ৰ দৰে ব্যক্তিত্বই সামাজিক আৰু অৰ্থনৈতিক গাঁথনিৰ সৈতে কলাৰ সম্পৰ্কৰ ওপৰত গুৰুত্ব আৰোপ কৰি অধ্যয়নৰ বাবে এক মাক্সৰ্বাদী দৃষ্টিভংগী গ্ৰহণ কৰিছিল (Lentricchia, 1985)। বিংশ শতিকাৰ মাজভাগ আৰু আগে পিছে শিল্পকলাৰ সমাজতত্ত্বক সুকীয়া উপ-অনুশাসন হিচাপে প্ৰতিষ্ঠা কৰাৰ এটি আন্দোলনে গতি লাভ কৰিছিল। পিয়েৰ বাউৰ্ডিউ [Pierre Bourdieu]ৰ দৰে ব্যক্তিয়ে L'amour de l'art [১৯৬৯]৩১ দৰে গ্ৰন্থৰ যোগেদি সৈতে ক্ষেত্ৰখনক গুৰুত্বপূৰ্ণভাৱে আকাৰ দিছিল, যি কলা উৎপাদন, বিতৰণ আৰু ব্যৱহাৰক প্ৰভাৱিত কৰা সামাজিক কাৰকবোৰৰ ওপৰত গুৰুত্ব দিছিল (Tittenbrun, 2016)। আনহাতে হাৰ্ভে ফিচাৰ [Herve Fischer], ফ্ৰেড ফৰেষ্ট [Fred Forest] আৰু জিন-পল থেনট [Jean-Paul Thenot]ৰ দৰে ব্যক্তিত্বৰ প্ৰচেষ্টাত ফ্ৰান্সত এক শৈল্পিক আন্দোলন [Art Movement] হিচাপে সমাজতাত্ত্বিক কলা [Sociological art]ই প্ৰতিষ্ঠা লাভ কৰে। যি আন্দোলনে কলাৰ লগত জড়িত সামাজিক বিষয়সমূহক সামৰি লৈছিল। বিংশ আৰু একবিংশ শতিকাৰ শেষৰ ফালে কলা প্ৰতিষ্ঠান [Art Institutions], কলা বজাৰ [Art Markets]ৰ ভূমিকা আৰু কলাত্মক চিন্তা আৰু মূল্যৰ সামাজিক নিৰ্মাণৰ প্ৰতি অধিক মনোযোগেৰে শিল্পকলাৰ সমাজতত্ত্বৰ ক্ষেত্ৰখন অধিক সম্প্ৰসাৰিত হয় (Davies & Sigthorsson, 2013)। শিল্পকলাৰ সমাজতত্ত্বক এক মুখ্য উপ-ক্ষেত্ৰ হিচাপে লৈ সংস্কৃতিৰ সমাজতত্ত্ব [Sociology of Culture] বুলি এটি নতুন ক্ষেত্ৰৰ বিকাশ হয়। বৰ্ধিত শৈক্ষিক অধ্যয়ন আৰু প্ৰকাশিত কিতাৰ-পত্ৰ তথা লেখাসমূহেও ক্ষেত্ৰখন দৃঢ় কৰাত যথেষ্ট সহায় কৰে।

## ২.০ শিল্পকলাৰ সমাজতত্ত্বৰ সাম্প্ৰতিক স্থিতি

### ২.১ কলা অনুশীলন আৰু ব্যৱহাৰত বিভিন্ন সামাজিক শ্ৰেণীৰ প্ৰভাৱ

কলা অনুশীলন আৰু ব্যৱহাৰৰ ওপৰত সামাজিক শ্ৰেণীৰ প্ৰভাৱ হৈছে এক বহুমুখী আৰু গভীৰভাৱে অন্তৰ্নিহিত পৰিঘটনা। কলাৰ অনুশীলনত দেখা দিয়া মুখ্য সামাজিক দিশবোৰ হ'ল -

Majuli: A Multilingual MultiDisciplinary e-Magazine

ISSN:3049-0812
**MAJULI: A Multi-Lingual Multi-Disciplinary e-Magazine**
Web.: www.majuliemagazine.com, e-Mail: majuliejournal@umkcollege.in
Published by: Digital Learning Cell, UMK College, Majuli-785105, Assam, India

ক. উচ্ছ অৰ্থনৈতিক শ্ৰেণীৰ লোকসকলে সদায় কলাত্মক প্ৰশিক্ষণ, কলা সামগ্ৰী আৰু সংগ্ৰহালয়-প্ৰদৰ্শনী আদিত সহজে প্ৰৱেশাধিকাৰ পায়। ফলত তেওঁলোকৰ মাজত পেছাদাৰীভাৱে কলা অনুসৰণ কৰাৰ সম্ভাৱনা অধিক হয়। ইয়াৰ বিপৰীতে নিম্ন আৰ্থ-সামাজিক পৃষ্ঠভূমিৰ লোকসকলে আৰ্থিক সীমাবদ্ধতাৰ বাবেই কলাত্মক চিন্তাত অংশগ্ৰহণ আৰু বিকাশত বাধাৰ সন্মুখীন হয় (Tittenbrun, 2016),

খ. পিয়েৰ বাউৰ্ডিউ [Pierre Bourdieu]ৰ 'সাংস্কৃতিক মূলধন' ধাৰণাটো ইয়াত গুৰুত্বপূৰ্ণ। এই ধাৰণা অনুসৰি বিভিন্ন সামাজিক শ্ৰেণীয়ে সাধাৰণতে কিছুমান প্ৰকাৰৰ কলাৰ সংস্পৰ্শলৈ অহা আৰু তাৰ লগত পৰিচয় হোৱা দিশটোক প্ৰভাৱিত কৰে। আনকি কিছুমান কলাৰ প্ৰকাৰ সাধাৰণতে একোটা নিৰ্দিষ্ট সামাজিক শ্ৰেণীৰ সৈতে সম্পৰ্কিত হোৱা দেখা যায়, যিয়ে সেই শ্ৰেণীটোৰ সামাজিক স্থিতিক চিহ্নিত কৰে (Tittenbrun, 2016),

গ. বিভিন্ন সামাজিক শ্ৰেণীয়ে যিকোনো শিল্পৰ বিষয়বস্তুৰ শৈল্পিক অভিব্যক্তি আৰু শৈলীক আকাৰ দিব পাৰে। শিল্পীসকলে তেওঁলোকৰ আৰ্থ-সামাজিক পৃষ্ঠভূমিৰ দ্বাৰা প্ৰভাৱিত হৈ তেওঁলোকৰ শিল্পকৰ্মত নিজৰ অভিজ্ঞতা আৰু দৃষ্টিভংগীক সাকাৰ ৰূপ দিয়ে। উদাহৰণ স্বৰূপে, শ্ৰমিক শিল্পী এজনে এনে কলা সৃষ্টি কৰিব পাৰে, যিয়ে তেওঁলোকৰ প্ৰতি হোৱা বিভিন্ন সামাজিক বৈষম্যৰ মোকাবিলা কৰে বা তেওঁলোকৰ সম্প্ৰদায়গত সমাজ-বাস্তৱতাক প্ৰতিফলিত কৰে।

আনহাতে কলাৰ ব্যৱহাৰত দেখা দিয়া মুখ্য সামাজিক দিশবোৰ হ'ল -

ক. বিভিন্ন সামাজিক শ্ৰেণীয়ে কলাত্মক অনুৰাগ গঢ়াত এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। যাক 'উচ্চ কলা' বনাম 'নিম্ন কলা' বুলি গণ্য কৰা হয়। সেয়াও আচলতে এক সামাজিক নিৰ্মাণ (Heinich, 1997),

খ. উচ্চ অৰ্থনৈতিক শ্ৰেণীৰ পৰম্পৰাগত কলা যেনে 'শাস্ত্ৰীয় সংগীত' আৰু 'অপেৰা' আদিৰ পৰা অধিক সম্পৰ্ক থাকিব পাৰে। আনহাতে আন শ্ৰেণীবোৰে 'জনপ্ৰিয় সংগীত' বা 'পথৰ কলা' [street art] পছন্দ কৰিব পাৰে,

গ. তথাকথিত সমাজত সংগ্ৰহালয়, গেলেৰী আৰু কনচাৰ্ট হলবোৰক সাধাৰণতে অভিজাত সকলৰ স্থান হিচাপেহে গণ্য কৰা হয়। আহৰণ ক্ষমতা আনুসৰি টিকটৰ মূল্য, সামাজিক স্থিতি আনুসৰি ল'বলগীয়া অৱস্থান আৰু সদা অনুভৱ কৰা সাংস্কৃতিক বাধাৰ দৰে কাৰকে নিম্ন আৰ্থসামাজিক পৃষ্ঠভূমিৰ লোকসকলক কলাৰ ক্ষেত্ৰখনত প্ৰৱেশত সদায় বাধাৰ সৃষ্টি কৰে (Tittenbrun, 2016).

Majuli A Multilingual Multidisciplinary e-Magazine

ঘ. কলাক সামাজিক মৰ্যাদাৰ চিহ্ন হিচাপে ব্যৱহাৰ কৰা ধনী লোকসকলৰ বাবে কলা সংগ্ৰহক তেওঁলোকৰ সামাজিক স্থিতি আৰু সাংস্কৃতিক মূলধন প্ৰদৰ্শন কৰাৰ এটা উপায় বুলি গণ্য কৰা দেখা যায়। তেওঁলোকে সন্মানীয় শিল্পকৰ্মৰ অধিগ্ৰহণক সমৃদ্ধি আৰু পৰিশোধিত কলাত্মক অনুৰাগৰ চিহ্ন হিচাপে দেখুৱাব বিচাৰে। যিটো নিম্ন আৰ্থসামাজিক পৃষ্ঠভূমিৰ লোকসকলৰ বাবে কেতিয়াও সম্ভৱ হৈ নুঠে।

## ২.২ শিল্পকলাত লিংগৰ প্ৰভাৱ

শিল্পকলাত লিংগৰ প্ৰভাৱ এটা এৰাব নোৱৰা বিষয়। ই মূলতঃ এক জটিল, ঐতিহাসিক আৰু উদ্দেশ্যপ্ৰণোদিত ভাবে আৰোপিত বিষয়। ইয়াৰ পৰিসৰ শৈল্পিক সৃষ্টি [artistic creation]ৰ পৰা আৰম্ভ কৰি প্ৰদৰ্শন [representation], অভ্যৰ্থনা অনুষ্ঠান আদিলৈকে বিয়পি আছে। ঐতিহাসিকভাৱে লক্ষ্য কৰিলে দেখা যায় যে মহিলা শিল্পীসকলে কলা জগতত প্ৰৱেশ আৰু স্বীকৃতিৰ ক্ষেত্ৰত সদায় নানা বাধাৰ সন্মুখীন হৈছে (Milestone & Meyer, 2020)। তদুপৰি কলাৰ ইতিহাসো সচৰাচৰ পুৰুষৰ দৃষ্টিকোণৰ পৰা লিখা হৈছে, যাৰ ফলস্বৰূপে এই কৰ্মত মহিলাসকলৰ অৱদান দিনে দিনে কমি গৈছে। আনকি মহিলাসকলে প্ৰশিক্ষণ, পৃষ্ঠপোষকতা আৰু প্ৰদৰ্শনীৰ সুযোগৰ ক্ষেত্ৰতো লিংগ বৈষম্যৰ বলি হ'বলগীয়া হৈছে। ফলত পৰম্পৰাগত আৰু বিভাজিত লিংগ ভূমিকাই কলাৰ বিষয়বস্তু আৰু শৈলীৰ ক্ষেত্ৰখনক প্ৰভাৱিত কৰে। আনকি মহিলা শিল্পীসকলে সদায় নাৰীসুলভ বিষয় যেনে 'ঘৰুৱা দৃশ্য' বা 'প্ৰতিকৃতি'ৰ ওপৰত গুৰুত্ব দিব বুলি সামাজিক সিদ্ধান্ত দি দিয়া হৈছিল। বিপৰীতে পুৰুষসকলক 'বিশাল ঐতিহাসিক' বা 'পৌৰাণিক বিষয়বস্তু [mythological themes]ৰ বিষয়ে চিন্তা-চৰ্চা কৰাৰ সুবিধা দিয়া হৈছিল। শৈল্পিক প্ৰতিনিধিত্বক সদায় পুৰুষতান্ত্ৰিক আধিপত্যৰ দৃষ্টিভংগীৰে চোৱা হৈছিল। আনকি পুৰুষে কৰা নাৰীৰ চিত্ৰণো সদায় পুৰুষতান্ত্ৰিক দৃষ্টিকোণৰপৰা কৰা হৈছিল। কিন্তু ১৯৭০ দশকৰ আগে-পিছে আৰম্ভ হোৱা নাৰীবাদী কলা আন্দোলনে [feminist art movement] কলাৰ জগতখনৰপৰা পুৰুষতান্ত্ৰিক লিংগ ভূমিকাক প্ৰত্যাহ্বান জনাই (Arbabzadeh et al., 2018)। সেই সময়ৰেপৰা নাৰীবাদী শিল্পীসকলে নিজৰ শিল্প কলাৰ বিষয়বস্তু হিচাপে আত্ম পৰিচয়, যৌনতা আৰু মহিলাৰ একান্ত নিজা অভিজ্ঞতাক বাচি ল'বলৈ আৰম্ভ কৰে। তাৰ পিছতো কিন্তু কলাৰ জগতখনত লিংগ পক্ষপাতিত্ব এতিয়াও বিদ্যমান। যি পক্ষপাতিত্বই গেলেৰীৰ প্ৰতিনিধিত্বৰ পৰা আৰম্ভ কৰি কলা সমালোচনা আৰু কলাৰ বজাৰ মূল্যলৈকে সকলোকে সামৰি লৈছে। পুৰুষৰ এনে আধিপত্যৰ সন্মুখত মহিলা শিল্পীসকলে স্বীকৃতি পাবলৈ আৰু পুৰুষ সমকক্ষতা অৰ্জন কৰিবলৈ গভীৰ প্ৰত্যাহ্বানৰ সন্মুখীন হোৱাৰ সম্ভাৱনা আছে। আত্ম পৰিচয় প্ৰতিষ্ঠাৰ এই জটিল সন্ধিক্ষণত শিল্পীসকলে বিকল্প লিংগ পৰিচয়ৰ অন্বেষণ কৰিবলৈ চেষ্টা কৰিছে আৰু পুৰুষ বা নাৰীৰ দৰে পৰম্পৰাগত ধাৰণাক প্ৰত্যাহ৩াান জনাইছে। কুইৰ আৰ্ট [Queer art] আৰু

Majuli A MultiLingual MultiDisciplinary e-Magazine

লিংগ-বিহীন কলা অভিব্যক্তিৰ দ্বাৰা এখন সম আৰু সামগ্ৰিক কলা সমাজ গঢ়াৰ চেষ্টা কৰিছে। আনকি সাম্প্ৰতিক সময়ত শিল্পকলাক সামাজিক পৰিৱৰ্তনৰ সঁজুলি হিচাপেও ব্যৱহাৰ কৰা দেখা গৈছে (Lentricchia, 1985)।

শিল্পীসকলে শিল্পচৰ্চাৰ বাবে অন্বেষণ কৰা বিষয়বস্তু, দৃষ্টিভংগী আৰু শৈলীক সদায় লিংগই প্ৰভাৱিত কৰি আহিছে। আনকি দৰ্শক এজনে কেনেদৰে শিল্পকৰ্মবোৰৰ ব্যাখ্যা আৰু মূল্যাংকন কৰিব তাকো লিংগই প্ৰভাৱিত কৰি আহিছে (Seyfert, 2012)। গেলেৰী, সংগ্ৰহালয় আৰু কলা বজাৰৰ ভিতৰতো এক প্ৰকাৰৰ লিংগ পক্ষপাতিত্ব দৃশ্যমান। এনে এক শক্তিশালী অপশক্তিক নাইকিয়া কৰি সুসংহত আৰু সামগ্ৰিক কলা জগত এখন গঢ়ি তোলাৰ বাবে সকলোৰে চেষ্টা কৰা প্ৰয়োজন।

**২.৩ জাতি [Race], জাতিসত্তা [Ethnicity] আৰু শিল্পকলা**

জাতি, জাতিসত্তা আৰু শিল্পকলাৰ মাজৰ সম্পৰ্ক গভীৰ। কেনেদৰে বিভিন্ন কলাত্মক অভিব্যক্তিয়ে শিল্প আৰু শিল্পীৰ আত্ম পৰিচয়ৰ সামাজিক বুজাবুজিক আকাৰ দিয়ে ই সাধাৰণতে তাক প্ৰতিফলিত কৰে। সমগ্ৰ মানৱ ইতিহাসত জাতিগত আৰু জাতিসত্তাগত ধাৰণাবোৰক শক্তিশালী আৰু প্ৰত্যাহ্বান জনোৱাৰ বাবে সদায় কলাক ব্যৱহাৰ কৰি অহা হৈছে। ঔপনিৱেশিকতাবাদ আৰু অন্যান্য ধৰণৰ অত্যাচাৰবোৰৰ যোগেদি প্ৰায়ে কলাৰ জগতখনত সংস্কৃতিৰ ভুল উপস্থাপন কৰা হৈছে (Young, 2010)। ইয়াৰ বিপৰীতে কলাই প্ৰান্তীয় সম্প্ৰদায়বোৰৰ বাবে তেওঁলোকৰ কণ্ঠৰ পুনৰুদ্ধাৰ আৰু ঐতিহ্যৰ সংৰক্ষণ আৰু সংবৰ্দ্ধনৰ বাবে এক শক্তিশালী সঁজুলি হিচাপেও কাম কৰিছে। ঠিক তেনেদৰে সাংস্কৃতিক বিনিয়োগ [cultural appropriation]ৰ ধাৰণাতো কলাৰ ক্ষেত্ৰত সদায় জাতি আৰু জাতিসত্তাৰ মাজতে কেন্দ্ৰিভূত। আনৰ সাংস্কৃতিক পৰম্পৰা একোটাক বিষয়বস্তু হিচাপে লৈ যিকোনো কলাৰ সৃষ্টি কৰাৰ অধিকাৰ কাৰ আছে বুলিও শেহতীয়াকৈ প্ৰশ্ন উত্থাপিত হৈছে (Young, 2010)।

আনহাতে সমসাময়িক শিল্পীসকলে কেৱল পশ্চিমীয়া কলা পৰম্পৰাৰ আধিপত্যক প্ৰত্যাহ্ব়ান জনাইছে আৰু বিভিন্ন প্ৰান্তীয় কণ্ঠস্বৰৰ অধিক প্ৰতিনিধিত্বৰ বাবে ওকালতি কৰিবলৈ আৰম্ভ কৰিছে। বিভিন্ন জাতি আৰু জাতিসত্তাগত পৃষ্ঠভূমিৰ শিল্পীসকলৰ অৱদানক স্বীকাৰ কৰি সংগ্ৰহালয় আৰু গেলেৰীবোৰেও তেওঁলোকৰ সংগ্ৰহ আৰু প্ৰদৰ্শনীত বৈচিত্ৰতা আনিবলৈ চেষ্টা কৰি আছে। যিহেতু কলাই ব্যক্তি আৰু সম্প্ৰদায়ৰ বাবে তেওঁলোকৰ জাতি আৰু জাতিসত্তাগত পৰিচয়ৰ অন্বেষণ কৰাৰ বাবে এক গুৰুত্বপূৰ্ণ উপায় হিচাপে কাম কৰে।সেয়ে বৰ্তমানৰ শিল্পীসকলে প্ৰায়ে সামাজিক ন্যায়, বৈষম্য আৰু সাংস্কৃতিক সংৰক্ষণৰ সমস্যা সমাধানৰ বাবে তেওঁলোকৰ শিল্পকৰ্মক আহিলা হিচাপে ব্যৱহাৰ কৰিবলৈ লৈছে (Lentricchia, 1985)।

ISSN:3049-0812
MAJULI: A Multi-Lingual Multi-Disciplinary e-Magazine
Web.: www.majuliemagazine.com, e-Mail: majuliejournal@umkcollege.in
Published by: Digital Learning Cell, UMK College, Majuli-785105, Assam, India

শিল্পীসকলে ব্যৱহাৰ কৰা শিল্পৰ বিষয়বস্তু, শৈলী আৰু কৌশলবোৰক সদায় জাতি আৰু জাতিসত্তাগত পৃষ্ঠভূমিয়ে প্ৰভাৱিত কৰে। শিল্পকলাই সাংস্কৃতিক পৰম্পৰা, জ্ঞান সংৰক্ষণ আৰু প্ৰেৰণৰ বাবে এক শক্তিশালী সঁজুলি হিচাপে কাম কৰে। শিল্পীসকলে প্ৰায়ে সামাজিক অন্যায়ৰ সমালোচনা কৰিবল ৰু আৰু মানসিকতাৰ পৰিৱৰ্তনৰ বাবে সামাজিক ভাষ্য [Social Commentary] হিচাপে তেওঁলোকৰ শিল্পকৰ্মক ব্যৱহাৰ কৰে।

### ২.৪ শিল্পকলা, ৰাজনীতি আৰু অৰ্থনীতি

শিল্পকলা, ৰাজনীতি আৰু অৰ্থনীতিৰ মাজৰ পাৰস্পৰিক সম্পৰ্ক মানৱ ইতিহাসৰ এক সদা গতিশীল আৰু জটিল সম্পৰ্ক। ইয়াত সদায় ইটো সিটোৰ সৈতে সম্পৰ্কজড়িত। যেতিয়াই প্ৰয়োজন হৈছে শিল্পকলাই এক শক্তিশালী সামাজিক আৰু ৰাজনৈতিক ভাষ্য হিচাপে কাম কৰি আহিছে (Lentricchia, 1985)। শিল্পীসকলে প্ৰায়ে তেওঁলোকৰ শিল্পকৰ্মক সামাজিক ক্ষমতাৰ জটিল গাঁথনিক সমালোচনা কৰিবলৈ, বিভিন্ন মত প্ৰকাশ কৰিবলৈ আৰু সামাজিক সমস্যাৰ বিষয়ে সজাগতা বৃদ্ধি কৰিবলৈ ব্যৱহাৰ কৰে। ৰাজনৈতিক কাৰ্টুনৰ পৰা কলাৰদ্বাৰা কৰা প্ৰতিবাদ লৈকে যিকোনো কলাত্মক অভিব্যক্তিয়ে প্ৰয়োজনীয় জনমত গঢ়ি তুলি যিকোনো ৰাজনৈতিক পদক্ষেপক প্ৰভাৱিত কৰিব পাৰে। আনকি চৰকাৰ অথবা ৰাজনৈতিক সংগঠনসমূহেও তেওঁলোকৰ মতাদৰ্শ আৰু বিভিন্ন কাৰ্যসূচীৰ উদ্দেশ্যধৰ্মী প্ৰচাৰৰ বাবে শিল্পকলাক ব্যৱহাৰ কৰিব পাৰি। বিভিন্ন ৰাজ্যিক চৰকাৰৰ পৃষ্ঠপোষকতাত শিল্পকলাৰ ৰাষ্ট্ৰীয় পৰিচয় গঢ়ি তুলিবলৈ, ৰাজনৈতিক নেতাসকলক মহিয়ান হিচাপে প্ৰতিষ্ঠা কৰিবলৈ বা ৰাজনৈতিক ক্ষমতাক সবলতৰ কৰিবলৈও শিল্পকলাক ব্যৱহাৰ কৰিব পাৰি। পৃথিৱীৰ বিভিন্ন ৰাষ্ট্ৰৰ মাজত বুজাবুজি আৰু সদিচ্ছা বৃদ্ধিৰ বাবে শিল্পকলাক সাংস্কৃতিক কূটনীতি [Cultural Diplomacy]ৰ এক শক্তিশালী সঁজুলি হিচাপেও ব্যৱহাৰ কৰিব পাৰি (Atta & Siddiq, 2023)। বিপৰীতে, চৰকাৰে কেতিয়াবা ভাবুকি দিয়া বুলি বিবেচনা কৰা শৈল্পিক অভিব্যক্তি এেকোটাক বিবাচন [censor] বা দমন কৰিবও পাৰে।

শিল্পকলা আৰু অৰ্থনীতিৰ সম্পৰ্কও ওতপ্ৰোত। শিল্পকলাৰ বজাৰখন এক জটিল কিন্তু লাভজনক বজাৰ। ই এক প্ৰকাৰৰ উদ্যোগ, য'ত সদায় গেলেৰী, বিতৰক, সংগ্ৰাহক আৰু বিনিয়োগকাৰীৰ দৰে বিষয়বোৰ অন্তৰ্ভুক্ত হৈ থাকে (Davies & Sigthorsson, 2013)। বহুসময়ত শিল্পকলাৰ মূল্য বিভিন্ন কাৰক যেনে কলাত্মক যোগ্যতা [artistic merit], ঐতিহাসিক গুৰুত্ব আৰু বজাৰৰ প্ৰৱণতা [market trends]ৰ নিৰ্ভৰ কৰে। শিল্পকলাক সদায় বিনিয়োগ যোগ্য সম্পদ হিচাপে চোৱা হয়। সমাজৰ ধনী ব্যক্তি আৰু প্ৰতিষ্ঠানবোৰে গুৰুত্বপূৰ্ণ সম্পদ হিচাপেই শিল্পকৰ্ম এেকোটা ক্ৰয় কৰে। ইয়াৰ ফলত বজাৰত কলা পুঁজি [art funds] নামেৰে এক বিত্তীয় ব্যৱস্থাৰ উত্থান ঘটিছে, যিয়ে বিনিয়োগকাৰীসকলক কলাৰ বজাৰখনত অংশগ্ৰহণ কৰিবলৈ প্ৰেৰিত কৰিছে। চলচ্চিত্ৰ, সংগীত, ডিজাইন আৰু বিজ্ঞাপনৰ দৰে শিল্পকলাভিত্তিক উদ্যোগবোৰে বহল সৃষ্টিশীল অৰ্থনীতি [creative economy]ত

Majuli: A MultiLingual MultiDisciplinary e-Magazine

ISSN:3049-0812
**MAJULI: A Multi-Lingual Multi-Disciplinary e-Magazine**
Web.: www.majuliemagazine.com, e-Mail: majuliejournal@umkcollege.in
Published by: Digital Learning Cell, UMK College, Majuli-785105, Assam, India

এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। এই উদ্যোগবোৰে আনকি অৰ্থনৈতিক বিকাশৰ উপৰি চাকৰি সৃষ্টিতো অৰিহণা যোগায় (Davies & Sigthorsson, 2013)। প্ৰয়োজনীয় পুঁজি অবিহনে কলা চৰ্চা কেতিয়াও সম্ভৱ নহয়। এই ক্ষেত্ৰত চৰকাৰ আৰু বিভিন্ন জনহিতকৰ সংগঠনবোৰে আগবঢ়োৱা অনুদান, ৰাজসাহায্য আৰু অন্যান্য প্ৰকাৰৰ সমৰ্থনৰ জৰিয়তে শিল্পী এজনে একানপটীয়াকৈ নিজৰ সৃষ্টিকৰ্ম অব্যাহত ৰাখিব পাৰে। শিল্পকলাৰ ওপৰত অৰ্থনীতিৰ এনে প্ৰভাৱৰ ফলতে কেতিয়াবা ইয়াৰ কলাৰ পৰিৱৰ্তন অথবা সংশোধন [modification] কৰিবলগীয়াও হয়। এইখিনিতেই কলাক ক্ৰয় আৰু বিক্ৰী কৰিবলগা সামগ্ৰী হিচাপে গণ্য কৰা হয়। কাৰণ ইয়াৰ প্ৰভাৱ উৎপন্ন হোৱা শিল্পকলাৰ প্ৰকাৰ আৰু উপলব্ধতাৰ যোগেদি স্পষ্ট হয়।

শিল্পকলা, ৰাজনীতি আৰু অৰ্থনীতি - এই তিনিখন ক্ষেত্ৰ গভীৰভাৱে আন্তঃসংযোজিত। ৰাজনৈতিক নীতিয়ে যেনেকৈ কলাৰ বজাৰখনক প্ৰভাৱিত কৰিব পাৰে, ঠিক তেনেকৈ বিভিন্ন অৰ্থনৈতিক কাৰকে বহুসময়ত বেলেগ বেলেগ শৈল্পিক অভিব্যক্তি সৃষ্টি কৰা দেখা যায়। আনহাতে শিল্পকলা চৰ্চা বাবে আগবঢ়োৱা চৰকাৰী পুঁজি সততে ৰাজনৈতিক অগ্ৰাধিকাৰৰ দ্বাৰা প্ৰভাৱিত হোৱাৰ সম্ভাৱনা থাকে। ঠিক তেনেকৈ অৰ্থনৈতিক মন্দাৱস্থাইও শিল্পকলাৰ চাহিদা তথা বজাৰখনক প্ৰভাৱিত কৰিব পাৰে।

**২.৫ শিল্পকলাৰ আঞ্চলিক পৰিধি**

শিল্পকলাৰ আঞ্চলিক মাত্ৰা বুলি ক'লে মূলতঃ নগৰ-চহৰবোৰত কেনেদৰে শিল্পচৰ্চা অব্যাহত আছে বা গ্লোবায়নে [globalization] কেনেদৰে সি শিল্পচৰ্চাক প্ৰভাৱিত কৰিছে, তাক সূচিত কৰে। অতীজৰেপৰা নগৰ-চহৰসমূহক সদায় সাংস্কৃতিক কেন্দ্ৰ হিচাপেই বিবেচনা কৰি অহা হৈছে। নগৰ-চহৰসমূহে সদায় শিল্পীসকলৰ বিকাশৰ বাবে প্ৰয়োজনীয় আন্তঃগাঁথনি, পৃষ্ঠপোষকতা আৰু দৰ্শক হিচাপে অৰিহণা আগবঢ়াই আহিছে। সৃষ্টিশীলতা আৰু উদ্ভাৱনৰ পৃষ্ঠপোষক হিচাপে নগৰ-চহৰবোৰে সদায় সংস্কৃতিৰ মিলনভূমিৰ দৰে কাম কৰে (Davies & Sigthorsson, 2013)। তদুপৰি শিল্পকলাই নগৰ-চহৰসমূহৰ পৰিচয় আৰু চৰিত্ৰ গঢ়াত সদায় এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। ৰাজহুৱা অধিস্থাপন [installations] কলা, দেৱাল-চিত্ৰ আৰু ভিন ভিন স্থাপত্য-সংক্ৰান্ত সংৰচনাই [design] চহৰাঞ্চলসমূহত একোটা চাক্ষুষ নিসৰ্গদৃশ্য সৃষ্টিত অৰিহণা যোগায় আৰু সেই নিৰ্দিষ্ট ঠাইখনক এক সুকীয়া পৰিচয় দান কৰে। আনকি অৱহেলিত চহৰাঞ্চলসমূহক পুনৰুজ্জীৱিত কৰিবলৈও শিল্পকলাক আহিলা হিচাপে ব্যৱহাৰ কৰিব পাৰি। আনকি শিল্পকলাই চহৰাঞ্চলসমূহৰ সম্প্ৰদায়িক সংহতি বৃদ্ধি কৰি বিভিন্ন সামাজিক সমস্যাবোৰ সমাধানৰ জৰিয়তে সামাজিক গতিশীলতা বৰ্তাই ৰাখে। নগৰ-চহৰবোৰে বহুতো উপ-সংস্কৃতি [sub-cultures]ৰ বিকাশ ঘটায়। ষ্ট্ৰীট আৰ্ট, দেৱাল লিখন, ৰক শ্ব'ৰ দৰে বহুতো কলাত্মক উপ-সংস্কৃতিয়ে নগৰ-চহৰাঞ্চলত এক সুকীয়া পৰিৱেশ সৃষ্টি কৰে। শিল্পকলাৰ ক্ষেত্ৰখনত গ্লোবায়ন [globalization]ৰ প্ৰভাৱ প্ৰৱলভাৱে

Majuli A MultiLingual MultiDisciplinary e-Magazine

পৰা পৰিলক্ষিত হৈছে (Carroll, 2007)। বৰ্তমান সময়ত শিল্প আৰু শিল্পীৰ কোনো আঞ্চলিক বা ৰাষ্ট্ৰীয় সীমাৰেখা মানি লোৱা নহয়। আন্তৰ্জাতিক শিল্পকলাৰ মেলা আৰু সংগ্ৰহালয় প্ৰদৰ্শনীয়ে কলাৰ এক আন্তৰ্জাতিক কলাত্মক ধাৰণা গঢ় দিয়াত সহায় কৰে। ইণ্টাৰনেট আৰু বিভিন্ন ডিজিটেল প্ৰযুক্তিয়েও কলাৰ সহজলভ্যতা সৃষ্টি কৰি ইয়াক অধিক গণমুখী কৰি তুলিছে। ফলত ই বিশ্বব্যাপী সহজে সহযোগিতা [collaboration] পাবলৈ সক্ষম হৈছে। আনকি বিশ্বৰ কিছুমান নগৰ-চহৰ শিল্পকলাৰ কেন্দ্ৰবিন্দুত পৰিণত হৈছে। তেনে নগৰ-চহৰবোৰে সমগ্ৰ বিশ্বৰ শিল্পী, সংগ্ৰাহক আৰু শিল্প প্ৰতিষ্ঠানসমূহক সহজে আকৰ্ষিত কৰিছে। গ্লোবায়ন [globalization]ৰ ফলস্বৰূপে শিল্পকলা চৰ্চাত এক প্ৰকাৰৰ সাংস্কৃতিক সংকৰতা [cultural hybridity] বৃদ্ধি পাইছে আৰু শিল্পীসকলে বিভিন্ন কাৰকৰ প্ৰভাৱত নতুন নতুন শিল্প অভিব্যক্তিৰ সৃষ্টি কৰিছে। আনহাতে ডিজিটেল কলা আৰু অনলাইন আৰ্ট প্লেটফৰ্মেসমূহে শিল্পকলাৰ আঞ্চলিক মাত্ৰাৰ ধাৰণাক নাইকিয়া কৰি আনিছে। কেৱল মাত্ৰ এটা ইণ্টাৰনেট সংযোগৰ দ্বাৰা সাধাৰণ ভৌতিক স্থানৰ বাহিৰত শিল্পকলাৰ দৰ্শন সম্ভৱ হৈ উঠিছে। বৰ্তমান শিল্পকলাৰ ক্ষেত্ৰখন ইণ্টাৰনেটৰ যোগেদি পৃথিৱীৰ যিকোনো ঠাইৰপৰা চাব পৰা হোৱাৰ যোগেদি এক অআঞ্চলিক ৰূপৰ সৃষ্টি হৈছে।

পৰিৱৰ্তনশীল সামাজিক, অৰ্থনৈতিক আৰু প্ৰযুক্তিগত শক্তিৰ প্ৰতিক্ৰিয়াস্বৰূপে শিল্পকলাৰ আঞ্চলিক মাত্ৰা নিৰন্তৰ বিকশিত হৈ আছে। কলাৰ আঞ্চলিক মাত্ৰাই গঢ়া কলাত্মক অভিব্যক্তি আৰু অভিজ্ঞতাতকৈ গ্লোবায়ন [globalization]ৰ ফলস্বৰূপে গঢ়া লোৱা কলাত্মক অভিব্যক্তি আৰু অভিজ্ঞতা বেছি গ্ৰহণীয় হিচাপে স্বীকৃতি পাইছে (Carroll, 2007)।

২.৬ শিল্পকলা আৰু কৰ্মক্ষেত্ৰ

যিকোনো এজন ব্যক্তিৰ কৰ্মক্ষেত্ৰত কলাৰ চিন্তাই তেওঁৰ সৃজনশীলতা আৰু উদ্ভাৱনক উদ্দীপিত কৰিব পাৰে। ভিজুৱেল আৰ্ট, সংগীত আৰু অন্যান্য প্ৰকাৰৰ শৈল্পিক অভিব্যক্তিয়ে অধিক অনুপ্ৰেৰণাদায়ক আৰু আকৰ্ষণীয় কামৰ কাৰণে পৰিৱেশ সৃষ্টিৰ সহায় কৰিব পাৰে। অধ্যয়নৰপৰা গম পোৱা গৈছে যে শিল্পকলাই কৰ্মক্ষেত্ৰত মানসিক-শাৰীৰিক চাপ হ্ৰাস কৰিব পাৰে (Wang et al., 2021)। ব্যৱসায়িক কৰ্মক্ষেত্ৰত প্ৰদৰ্শিত শিল্পকলাই সেই প্ৰতিষ্ঠানৰ মূল্যবোধ আৰু সাংস্কৃতিক বোধক প্ৰতিফলিত কৰিব পাৰে। শিল্পকলাৰ যোগেদি কোনো কোম্পানীৰ ব্ৰেণ্ড পৰিচয় বৃদ্ধি কৰিব পৰা যায়। গ্ৰাহক আৰু দৰ্শনাৰ্থীৰ ওপৰত ইতিবাচক প্ৰভাৱ সৃষ্টি কৰিবলৈ শিল্পকলাক ব্যৱহাৰ কৰিব পাৰি। বিপণন, বিজ্ঞাপন আৰু অন্যান্য ব্যৱসায়িক যোগাযোগৰ বাবে শিল্পকলাৰ সুপ্ৰয়োগ কৰি ক্ৰেতা আৰু বিক্ৰেতাৰ মাজত সহজে সহযোগিতা গঢ় দিব পৰা যায়। ঠিক তেনেদৰে আধুনিক সমাজত, বিশেষকৈ ব্যস্ততাপূৰ্ণ কৰ্মক্ষেত্ৰত সদা সৃষ্টি হোৱা মানসিক-শাৰীৰিক চাপৰপৰা মুক্তি পাবৰ বাবে গঢ়

Majuli A MultiLingual MultiDisciplinary e-Magazine

লোৱা এক প্ৰকাৰৰ চিকিৎসা হ'ল আৰ্ট থেৰাপী [Art therapy]। বিভিন্ন শিল্পকলাৰ মাধ্যমেদি এই চিকিৎসা কৰি কৰ্মক্ষেত্ৰসমূহত এক গতিশীলতা আনিব পাৰি (Wang et al., 2021)।

মুঠতে পৰিৱৰ্তনশীল অৰ্থনৈতিক আৰু সামাজিক পৰিস্থিতিৰ প্ৰতিক্ৰিয়াস্বৰূপে শিল্পকলা আৰু কামৰ মাজৰ সম্পৰ্ক নিৰন্তৰ বিকশিত হৈ আছে। ডিজিটেল প্ৰযুক্তিৰ উত্থানে শিল্পী আৰু সৃজনশীল কৰ্মীসকলৰ বাবে নতুন সুযোগ আৰু প্ৰত্যাহ্বানৰ সৃষ্টি কৰিছে। কৰ্মচাৰীৰ কল্যাণ আৰু উৎপাদনশীলতাৰ এক মুখ্য কাৰক হিচাপে শিল্পকলাৰ মূল্য ইতিমধ্যে স্বীকৃত হৈছে।

**৩.০ উপসংহাৰ**

আলোচনাৰ শেষত উপনীত হোৱা সিদ্ধান্তসমূহ হ'ল -

১. শিল্পকলাৰ সমাজতত্ত্বই কলা আৰু সমাজৰ মাজৰ জটিল সম্পৰ্কৰ ওপৰত এক সমৃদ্ধ আৰু বহুমুখী দৃষ্টিভংগী প্ৰদান কৰে। ই সমাজ একোখনৰ সামাজিক, অৰ্থনৈতিক আৰু ৰাজনৈতিক শক্তিবোৰ অন্বেষণ কৰিবলৈ সম্পূৰ্ণ নান্দনিকতাৰে আগবাঢ়ে।

২. শিল্পকলাৰ সমাজতত্ত্বই যিকোনো শিল্পকলাৰ সৃষ্টিৰ আঁৰত একোটা সামাজিক প্ৰেক্ষাপট গভীৰভাৱেয়ে অন্তৰ্ভুক্ত হৈ থাকে তাক প্ৰতিফলিত কৰে। ই বিভিন্ন সামাজিক কাৰক, যেনে শ্ৰেণী, লিংগ, জাতি, আৰু জাতিসত্তা, শৈল্পিক অভিব্যক্তি আৰু অভিজ্ঞতাক গুৰুতৰভাৱে প্ৰভাৱিত কৰে।

৩. শিল্পকলাৰ জগতখনত ক্ষমতা আৰু বৈষম্য এক এৰাব নোৱাৰা বিষয়। সাংস্কৃতিক মূলধনে সদায় কলাত্মক অনুশীলন আৰু প্ৰৱেশাধিকাৰ গঢ়াত এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে।

৪. শিল্পকলাই সামাজিক মূল্যবোধ, বিশ্বাস আৰু মতাদৰ্শৰ প্ৰতিফলনৰ যোগেদি সামাজিক ভাষ্য, ৰাজনৈতিক সক্ৰিয়তা আৰু সাংস্কৃতিক সংৰক্ষণৰ বাবে এক শক্তিশালী সঁজুলি হিচাপে কাম কৰিব পাৰে।

৫. বিভিন্ন কলাত্মক উৎপাদন আৰু ব্যৱহাৰৰ ওপৰত গ্লোবায়ন [globalization] আৰু ডিজিটেল প্ৰযুক্তিয়ে সক্ৰিয়ভাৱে প্ৰভাৱ পেলাইছে। এই শক্তিবোৰে শিল্পকলা জগতখনলৈ যথেষ্ট পৰিৱৰ্তন আনিছে। শিল্পী আৰু দৰ্শকৰ বাবে নতুন নতুন সুযোগ, আনকি বহুসময়ত প্ৰত্যাহ৩ানৰো সৃষ্টি কৰিছে।

৬. শিল্পকলাৰ সমাজতত্ত্ব অধ্যয়নত সদায় শিল্পকলা আৰু সমাজৰ মাজত বিকশিত সম্পৰ্কসমূহত অন্তৰ্দৃষ্টি প্ৰদান কৰা হৈছে। যাতে পৰিচয় নিৰ্মাণ, সামাজিক অৰ্থ প্ৰকাশ আৰু আধুনিক পৃথিৱীৰ জটিলতাবোৰৰপৰা আমাক ৰক্ষা কৰিবলৈ শিল্পকলাক ব্যৱহাৰ কৰিব পৰা যায়।

Majuli: A MultiLingual MultiDisciplinary e-Magazine

**References**

Arbabzadeh, A., Tusi, H. R., Kateb, F., & Dadvar, A. (2018). Redefinition of the body in feminist art (1960s and 1970s). *Bagh-e Nazar*, *14*(55), 5–14.

Atta, M., & Siddiq, A. (2023). Bridging divides: The transformative power of inclusive cultural diplomacy in shaping global relations. *Journal of Quranic and Social Studies*, *3*(2), 106–118.

Carroll, N. (2007). Art and globalization: Then and now. *The Journal of Aesthetics and Art Criticism*, *65*(1), 131–143. https://doi.org/10.1111/j.1540-594X.2007.00244.x

Davies, R., & Sigthorsson, G. (2013). *Introducing the creative industries: From theory to practice*. SAGE Publications.

Heinich, N. (1997). L'amour de l'art en régime de singularité. *Communications*, *64*(1), 153–171.

Lentricchia, F. (1985). *Criticism and social change*. University of Chicago Press.

Milestone, K., & Meyer, A. (2020). *Gender and popular culture*. John Wiley & Sons.

Riley, S. (n.d.). Introduction to Durkheim, the Durkheimians, and the arts. In P. S. Alexander & R. Stoneman (Eds.), *Durkheim, the Durkheimians, and the arts* (pp. 1–20). Berghahn Books.

Seyfert, R. (2012). Beyond personal feelings and collective emotions: Toward a theory of social affect. *Theory, Culture & Society*, *29*(6), 27–46. https://doi.org/10.1177/0263276412438591

Tittenbrun, J. (2016). Concepts of capital in Pierre Bourdieu's theory. *Miscellanea Anthropologica et Sociologica*, *17*(1), 81–103.

Wang, J., Zhang, Q., Wang, L., Yu, Y., & Zhao, Q. (2021). Art therapy: A complementary treatment for mental disorders. *Frontiers in Psychology*, *12*, Article 686005. https://doi.org/10.3389/fpsyg.2021.686005

Young, J. O. (2010). *Cultural appropriation and the arts*. John Wiley & Sons.

::::::

Majuli: A Multi-Lingual Multi-Disciplinary e-Magazine